Assamese

रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1] NEW DELHI, THURSDAY, NOVEMBER 5, 2009/14 KATI, 1931 (Saka) [Vol : 3**
নং ১ ] নতুন দিল্লী, বৃহস্পতিবাৰ, নবেম্বৰ ৫, ২০০৯ / ১৪ কাতি, ১৯৩১ (শক) [খণ্ড ঃ ৩

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়
## (বিধান বিভাগ)

নতুন দিল্লী, ৩০ জানুৱাৰী, ২০০৯/১০ মাঘ ১৯৩০ (শক)

(১) দি ফৰ্ ফিট্টেড ডিপজিটচ্ এক্ট, ১৮৫০ (১৮৫০ ৰ ২৫),

(২) দি চুট্ ভেলিউএশ্বন্ এক্ট, ১৮৮৭ (১৮৮৭ ৰ ৭),

(৩) দি মিউনিচিপেল টেক্চেশ্বন এক্ট, ১৮৮১ (১৮৮১ ৰ ১১),

(৪) দি নেশ্বনেল্ লাইব্ৰেৰী অফ্ ইণ্ডিয়া এক্ট, ১৯৭৬ (১৯৭৬ ৰ ৭৬) - ৰ

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ) অধিনিয়ম, ১৯৭৩ (১৯৭৩ ৰ ৫০) ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হব।

## MINISTRY OF LAW, JUSTICE AND COMPANY AFFAIRS
### (Legislative Department)

New Delhi, Dated the 30th January, 2009/10 MAGHA, 1930 (SAKA)

The Translations in Assamese of the following, namely :-

1. The Forfeited Deposits Act, 1850 (25 of 1850),
2. The Suits Valuation Act, 1887 (7 of 1887),
3. The Municipal Taxation Act, 1881 (11 of 1881),
4. The National Library of India Act, 1976 (76 of 1976) -

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (50 of 1973).

# ভাৰতৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ অধিনিয়ম, ১৯৭৬

## ১৯৭৬ৰ ৭৬ নং

[১১ জুন, ১৯৭৬]

ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ আৰু আন কিছুমান সম্পৰ্কিত বিষয়ৰ প্ৰশাসনৰ বাবে উপবন্ধিত কৰিবলৈ এখনি অধিনিয়ম ।

ভাৰত গণৰাজ্যৰ সপ্তবিংশ বৰ্ষত সংসদৰ দ্বাৰা ইয়াক নিম্নলিখিত দৰে অধিনিয়মিত কৰা হওঁক ঃ-

### অধ্যায় -১
### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভ । ১। (১) এই অধিনিয়মখন ভাৰতৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ অধিনিয়ম, ১৯৭৬ বুলি অভিহিত হ'ব ।

(২) এইখন এনে তাৰিখত বলবৎ হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে ।

পৰিভাষা ২। এই অধিনিয়মত প্ৰসংগত অন্যথা অপেক্ষিত নহ'লে, -

(ক) ''বোৰ্ড'' মানে ধাৰা ৩ৰ অধীনত স্থাপিত বোৰ্ড ;

(খ) ''অধ্যক্ষ'' মানে বোৰ্ডৰ অধ্যক্ষ ;

(গ) ''নিধি'' মানে ধাৰা ২৩ত নিৰ্দ্দেশিত কৰা নিধি ;

(ঘ) ''গ্ৰন্থাগাৰ'' মানে কলিকতাত অৱস্থিত প্ৰতিষ্ঠান আৰু সংবিধানৰ প্ৰাৰম্ভণত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ হিচাবে জ্ঞাত ;

(ঙ) ''সদস্য'' মানে বোৰ্ডৰ কোনো সদস্য আৰু ই অধ্যক্ষকো অন্তৰ্ভুক্ত কৰে ;

(চ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ।

### অধ্যায় - ২
### ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ বোৰ্ড

বোৰ্ডৰ স্থাপন আৰু নিগমন। ৩। (১) এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ বোৰ্ড হিচাবে জ্ঞাত এখন বোৰ্ড স্থাপন কৰা হ'ব ।

(২) বোৰ্ডখন সম্পত্তি আৰু চুক্তি অৰ্জন, ধাৰণ আৰু নিস্পত্তি কৰিবলৈ এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, ক্ষমতাসহ শাশ্বত উত্তৰাধিকাৰী আৰু সাধাৰণ মোহৰ থকা উক্ত নামেৰে নিগমিত নিকায় হ'ব আৰু সেই নামেৰে গোচৰ কৰিব বা বাদমুক্ত হব ।

(৩) উপধাৰা (২)ত কোনো কথা থকা স্বত্বেও বোৰ্ডে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন নোহোৱাকৈ আচবাব, লেখন সামগ্ৰী আৰু একে প্ৰকৃতিৰ অলাগতিয়াল বস্তু ভিন্ন, গ্ৰন্থাগাৰত থকা কোনো পাণ্ডুলিপি, কিতাপ সামগ্ৰী বা বস্তু বিক্ৰী বা অন্যথা নিস্পত্তি নকৰিব ঃ

পৰন্তু য'ত গ্ৰন্থাগাৰলৈ কোনো ব্যক্তিৰ দ্বাৰা দান কৰা কোনো এনে পাণ্ডুলিপি, কিতাপ, সামগ্ৰী বা বস্তু বিক্ৰী বা অন্যথা নিস্পত্তি কৰিবলৈ প্ৰস্তাৱ কৰা হয়, এই উপধাৰাৰ অধীনত কোনো অনুমোদন নোহোৱাকৈ প্ৰদান কৰা নহব যদিহে দান কৰ্ত্তা বা তেওঁৰ হিত উত্তৰাধিকাৰীয়ে যথাস্থিতি এনে কৰিবলৈ লিখিত অনুমতি নিদিয়ে ।

বোৰ্ডৰ গঠন। ৪। বোৰ্ড নিম্নলিখিত সদস্য সকলেৰে গঠিত হ'ব অৰ্থাৎ ঃ

(i) শিক্ষা সম্বন্ধীয় যোগ্যতা থকা অধ্যক্ষ হোৱা ব্যক্তিজন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(ii) সংসদৰ দ্বাৰা তিনিজন ব্যক্তি লোক সভাৰ সদস্য সকলৰ দ্বাৰা লোক সভাৰ পৰা দুজন আৰু ৰাজ্য সভাৰ সদস্য সকলৰ দ্বাৰা ৰাজ্য সভাৰ পৰা এজন নিৰ্বাচিত কৰা হ'ব ;

(iii) বৰ্ণানুক্ৰমিক ব্যৱস্থাত একাদিক্ৰমে ৰাজ্য সমূহৰ চৰকাৰৰ দ্বাৰা মনোনীত হোৱা তিনিজন ব্যক্তি ;

(iv) বিহিত ৰীতিত মনোনীত হোৱা ভাৰতৰ বিশ্ববিদ্যালয় সমূহক প্ৰতিনিধিত্ব কৰিবলৈ চাৰিজন ব্যক্তি ।

স্পষ্টীকৰণ - এই খণ্ডৰ প্ৰয়োজনাৰ্থে ''বিশ্ববিদ্যাসয়''ৰ বিশ্ববিদ্যালয় মঞ্জুৰ আয়োগ অধিনিয়ম, ১৯৫৬ ত ন্যস্ত কৰা দৰে অৰ্থ হ'ব আৰু ৰাষ্ট্ৰীয় গুৰুত্বৰ কোনো প্ৰতিষ্ঠান হোৱা বিধিৰ সংসদৰ দ্বাৰা ঘোষিত শিক্ষাগত প্ৰতিষ্ঠানকো অন্তৰ্ভুক্ত কৰে ;

(v) অধ্যক্ষৰ দ্বাৰা মনোনীত হোৱা বিশ্ববিদ্যালয় মঞ্জুৰ আয়োগৰ অধ্যক্ষ বা সেই আয়োগৰ এজন সদস্য ;

(vi) কিতাপ আৰু বাতৰি কাকত পৰিদান (সাৰ্বজনিক গ্ৰন্থাগাৰ) অধিনিয়ম, ১৯৫৪ৰ ধাৰা ২ৰ খণ্ড (খ) ৰ অৰ্থৰ ভিতৰত সাৰ্বজনিক গ্ৰন্থাগাৰৰ এজনৰ যি নামেৰেই অভিহিত হওঁক, মুখ্য গ্ৰন্থাগাৰক, কিন্তু বৰ্ণানুক্ৰমিক ব্যৱস্থাত একাদিক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত হোৱা ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ, কলিকতা অন্তৰ্ভুক্ত নহব ;

(vii) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত হোৱা বুৰঞ্জীমূলক, সাহিত্য সম্বন্ধীয় বা কলা বিদ্যা গুৰুত্ব থকা পাণ্ডুলিপি গুৰুত্বপূৰ্ণ সংগ্ৰহৰ গুৰুত্ব থকা [খণ্ড (vi) ত নিৰ্দ্দেশিত কোনো গ্ৰন্থাগাৰ অন্তৰ্ভুক্ত নকৰাকৈ] ভাৰতৰ সাৰ্বজনিক গ্ৰন্থাগাৰ সমূহৰ এজন যি নামেৰেই অভিহিত হওক মুখ্য গ্ৰন্থাগাৰক ;

(viii) সমিতি পঞ্জীয়ন অধিনিয়ম, ১৯৬০ৰ অধীনত পঞ্জীভুক্ত ভাৰতীয় গ্ৰন্থাগাৰ সংস্থা সমিতিৰ কোনো সমিতিৰ দ্বাৰা মনোনীত হোৱা এজন ব্যক্তি ;

(ix) সঞ্চালকজন ভাৰতৰ ৰাষ্ট্ৰীয় মহাপেচখানা ;

(x) মানবীয়তা সম্বন্ধীয় বিজ্ঞান, সমাজ বিদ্যা, চিকিৎসা শাস্ত্ৰ, কাৰিকৰী শিক্ষা আৰু প্ৰযুক্তি বিদ্যা আৰু আইন বিদ্যা অন্তৰ্ভুক্ত কৰি বিভিন্ন বিষয় সমূহত বিখ্যাত আঠজন বিদ্বান ব্যক্তিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(xi) বিহিত কৰা দৰে এনে ৰীতিত সেই সকলৰ ভিতৰৰ পৰা গ্ৰন্থাগাৰত সেৱা কৰা পদাধিকাৰী আৰু আন কৰ্মচাৰী সকলৰ দ্বাৰা নিৰ্বাচিত কৰা হ'ব ঃ

পৰন্তু কমেও এনে এজন ব্যক্তি গ্ৰন্থাগাৰৰ কাৰিকৰী কৰ্ম্মীবৃন্দৰ সদস্য হ'ব ।

স্পষ্টীকৰণ - এই খণ্ডৰ প্ৰয়োজনাৰ্থে "কাৰিকৰী কৰ্মীবৃন্দৰ সদস্য" মানে গ্ৰন্থাগাৰ, উপ-গ্ৰন্থাগাৰ, সহকাৰী গ্ৰন্থাগাৰ, কাৰিকৰী সহায়ক, কনিষ্ঠ কাৰিকৰী সহায়ক, অধ্যাপক, অনুবীক্ষিত আলোক চিত্ৰকাৰ, ৰসায়নবিদ আৰু এনে আন সদৃশ শ্ৰেণীৰ ব্যক্তি সমূহ যিদৰে বিহিত কৰা হয় ;

(xii) গ্ৰন্থাগাৰৰ লগত সম্পৰ্কিত বিষয় সমূহৰ লগত লেন দেন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগ আৰু বিত্তীয় বিষয়ৰ লগত লেনদেন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰনালয়ক যথাক্ৰমে প্ৰতিনিধিত্ব কৰিবলৈ ভাৰত চৰকাৰৰ যুটীয়া সচিবৰ পদমৰ্য্যদাৰ কম নোহোৱা দুজন ব্যক্তিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(xiii) পশ্চিম বঙ্গ চৰকাৰৰ দ্বাৰা, সেই চৰকাৰক প্ৰতিনিধিত্ব কৰিবলৈ মনোনীত কৰা এজন ব্যক্তি ;

(xiv) গ্ৰন্থাগাৰৰ সঞ্চালক যিজন সদস্য সচিব হ'ব ।

**সদস্য পদৰ বাবে অনৰ্হতা।**

৫। এজন ব্যক্তি, মনোনীত হোৱাৰ বাবে বা যথাস্থিতি নিৰ্বাচিতৰ বাবে আৰু ধাৰা ১১ত নিৰ্দ্দেশিত বোৰ্ড বা কাৰ্য্যবাহী পৰিষদৰ কোনো সদস্য হোৱাৰ বাবে অনৰ্হ হ'ব -

(ক) যদি তেওঁ নৈতিক পতনৰ লগত জড়িত কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত আৰু কাৰাবাসেৰে দণ্ডিত কৰা হৈছে ; বা

(খ) যদি তেওঁ এজন অনুন্মুক্ত দেউলীয়া হয় ; বা

(গ) যদি তেওঁ বিকৃত মস্তিষ্কৰ হয় আৰু কোনো ক্ষমতাযুক্ত ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত কৰা হয়, বা

(ঘ) যদি তেওঁৰ বোৰ্ডত এনে বিত্তীয় বা আন স্বাৰ্থ থাকে যিটো এজন সদস্য হিচাবে তেওঁৰ কাৰ্য্য তেওঁৰ দ্বাৰা নিৰ্বহন কৰাত প্ৰতিকূল ভাবে প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থাকে ।

**সদস্য সকলৰ পদ ইত্যাদিৰ অবধি।**

৬। (১) ধাৰা ৪ৰ অধীনত অধ্যক্ষ আৰু যথাস্থিতি আন সদস্য সকলৰ, প্ৰত্যেক মনোনয়ন বা নিৰ্বাচন চৰকাৰী ৰাজপত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা হ'ব আৰু তেওঁলোকৰ পদৰ অবধি এনে অধিসূচনাৰ তাৰিখৰ পৰা তিনি বছৰলৈকে হ'ব ঃ

পৰন্তু ধাৰা ৪ৰ উপধাৰা (১)ৰ খণ্ড (iii)ৰ অধীনত বা সেই উপধাৰাৰ খণ্ড (xi)ৰ অধীনত নিৰ্বাচিত কোনো সদস্যৰ পদৰ অবধি তেওঁ য'ৰ পৰা নিৰ্বাচিত হৈছিল সেই সদনৰ সদস্য পদৰ কাল অন্ত পৰাৰ লগে লগে সমাপ্ত হ'ব । যথাস্থিতি বোৰ্ডৰ নিয়োজনৰ কালৰো সমাপ্তি হ'ব ।

(২) কোনো মনোনীত বা নিৰ্বাচিত সদস্যই কেন্দ্ৰীয় চৰকাৰলৈ লিখিত সূচনা দি তেওঁৰ পদ ইস্তফা দিব পাৰে আৰু চৰকাৰী ৰাজপত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত হোৱা এনে ইস্তফাত তেওঁক, তেওঁৰ পদ ৰিক্ত কৰা হৈছে বুলি গণ্য কৰা হব ।

(৩) উপধাৰা (২)ৰ অধীনত মনোনীত বা নিৰ্বাচিত সদস্যৰ ইস্তফাৰ দ্বাৰা বা অন্য কাৰণৰ দ্বাৰা সৃষ্টি হোৱা আকস্মিক পদৰিক্ত প্ৰাধিকাৰীৰ নতুন মনোনয়নৰ দ্বাৰা যিয়ে সদস্য মনোনীতৰ বাবে বা যথাস্থিতি সদনৰ নিকায়ৰ দ্বাৰা নতুন নিৰ্বাচনৰ দ্বাৰা যিয়ে সদস্য নিৰ্বাচিত কৰে পূৰণ কৰা হব আৰু এনে মনোনয়ন আৰু নিৰ্বাচন চৰকাৰী ৰাজপত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা হব আৰু এনেদৰে মনোনীত বা নিৰ্বাচিত কোনো সদস্যই অৱশিষ্ট কালছোৱাৰ বাবে পদ ধাৰণ কৰিব যাৰ বাবে সেই সদস্যৰ স্থানত তেওঁ পদ ধাৰণ কৰাৰ বাবে মনোনীত বা নিৰ্বাচিত হৈছিল ।

(৪) কোনো বহিৰ্গামী সদস্যই পুনৰ মনোনয়ন বা পুনৰ নিৰ্বাচনৰ বাবে যোগ্য হব ।

(৫) যদি কোনো মনোনীত সদস্য দুৰ্বলতা বা অন্যথা তেওঁৰ কৰ্ত্তব্য নিৰ্বাহ কৰাৰ বাবে সাময়িক ভাবে অসমৰ্থ হয় বা ছুটীত থকা বাবে বা অন্যথা আন পৰিস্থিতিত অনুপস্থিত থাকে যিটো পদ ৰিক্ত বুলি ধৰা নহয় সেই প্ৰাধিকাৰী যিয়ে সদস্য নিৰ্বাচিত কৰে, সেই অনুপস্থিতিৰ কালছোৱাত তেওঁৰ স্থানত কাৰ্য্য কৰিবলৈ আন ব্যক্তিক মনোনীত কৰিব পাৰিব ।

**সদস্য পদৰ ৰিক্তি ।**

৭। কেন্দ্ৰীয় চৰকাৰে ধাৰা ১১ত নিৰ্দ্দেশিত বোৰ্ড বা কাৰ্য্যবাহী পৰিষদৰ কোনো সদস্যক অপসাৰণ কৰিব যদি তেওঁ --

(ক) ধাৰা ৫ত উল্লিখিত অনৰ্হতা সমূহ কোনটোৰ সাপেক্ষে হয় ঃ

পৰন্তু কোনো সদস্যক এই আধাৰত অপসাৰিত কৰা নহব যদিহে তেওঁ সেই ধাৰাৰ খণ্ড (ঘ)ত উল্লিখিত অনৰ্হতাৰ সাপেক্ষে হলেও তেওঁক বিষয়টোৰ ওপৰত শুনানীৰ এটা যুক্তিযুক্ত সুযোগ দিয়া নহয়, বা

(খ) বোৰ্ডৰ পৰা অনুপস্থিতিৰ ছুটী লাভ নকৰাকৈ যথাস্থিতি বোৰ্ড বা যথাস্থিতি কাৰ্য্যবাহী পৰিষদৰ ক্ৰমাগত তিনিখন সভাত অনুপস্থিত থাকে ।

পদ ৰিক্তি ইত্যাদি অবিধিমান্য কাৰ্য্য নহব।

৮। বোৰ্ডৰ কোনো কাৰ্য্য কেৱল এই কাৰণৰ দ্বাৰা অবিধিমান্য নহব --

(ক) বোৰ্ডৰ কোনো পদ ৰিক্তিত বা গঠনৰ ত্ৰুটীত, বা

(খ) ইয়াৰ সদস্যৰূপে কাৰ্য্য কৰা ব্যক্তিৰ মনোনয়নত থকা কোনো ত্ৰুটীত, বা

(গ) গোচৰৰ গুণাগুনত প্ৰভাৱিত নকৰা ইয়াৰ প্ৰক্ৰিয়াত থকা কোনো অনিয়মিতা ।

সদস্য সকলে বোৰ্ডত তেওঁ-লোকৰ বিত্তীয় বা আন হিত প্ৰকট কৰিব।

৯। কোনো সদস্যই, যি প্ৰত্যক্ষ বা পৰোক্ষ ভাবে বোৰ্ডৰ দ্বাৰা কৰা বা কৰা বুলি প্ৰস্তাৱিত কোনো চুক্তিৰ হিতত যিমান সম্ভৱ সোনকালে সুসঙ্গত পৰিস্থিতি জ্ঞাত হোৱাত বোৰ্ডৰ সভাত তেওঁক হিতৰ প্ৰকৃতি প্ৰকট কৰিব আৰু প্ৰকটীকৰণ বোৰ্ডৰ কাৰ্য্য বিৱৰণীত অভিলিখিত কৰিব আৰু প্ৰকট কৰণৰ পিছত সেইজন সদস্যই সেই চুক্তিৰ সম্বন্ধত বোৰ্ডৰ কোনো পৰ্য্যালোচনা বা বিনিশ্চয়ৰ অংশ নলব ।

বোৰ্ডৰ সভা।

১০। (১) বোৰ্ড গ্ৰন্থাগাৰৰ চৌহদত সাধাৰণতঃ বছৰত কমেও দুবাৰকৈ মিলিত হব আৰু উপধাৰা (২), (৩) আৰু (৪)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, এই অধিনিয়মৰ অধীনত প্ৰণীত বিনিয়মাৱলীৰ দ্বাৰা উপৱন্ধিত কৰা দৰে সভাত থুল অন্তৰ্ভুক্ত কৰি ইয়াৰ সভা সমূহত ব্যৱসায়ৰ লেনদেনৰ সম্বন্ধত প্ৰক্ৰিয়াৰ এনে নিয়মাৱলী পালন কৰিব ।

(২) অধ্যক্ষ বা তেওঁৰ অনুপস্থিতিত, তেওঁলোকৰ মাজৰ পৰা উপস্থিত থকা সদস্য সকলৰ দ্বাৰা নিৰ্বাচিত কোনো এজন সদস্যই বোৰ্ডৰ সভাত সভাপতিত্ব কৰিব।

(৩) যদি কোনো সদস্য, চৰকাৰৰ কোনো পদাধিকাৰী হয় আৰু বোৰ্ডৰ কোনো সভাত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, তেওঁ অধ্যক্ষৰ পূৰ্ব অনুমোদন সহ এনে কৰিবলৈ লিখিত ভাবে, ভাৰত চৰকাৰৰ উপসচিবৰ পদমৰ্য্যদাৰ কম নোহোৱাৰ মন্ত্ৰালয় বা বিভাগৰ কোনো পদাধিকাৰীক প্ৰাধিকৃত কৰিব পাৰিব।

(৪) বোৰ্ডৰ কোনো সভাত সকলো প্ৰশ্ন, উপস্থিত থকা সদস্যসকলৰ সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা আৰু ভোট দি বিনিশ্চিত কৰিব, আৰু কোনো ক্ষেত্ৰত ভোটৰ সম-মানতাত অধ্যক্ষ বা তেওঁৰ অনুপস্থিতিত, সভাপতিত্ব কৰা সদস্যৰ দ্বিতীয় বা নিৰ্ণায়ক ভোট থাকিব।

কাৰ্য্যনিৰ্বাহক পৰিষদ।

১১। (১) বোৰ্ডৰ কাৰ্য্যনিৰ্বাহক পৰিষদ নজন সদস্যৰে গঠিত হব ।

(২) গ্ৰন্থাগাৰৰ সঞ্চালক কাৰ্য্যনিৰ্বাহক পৰিষদৰ অধ্যক্ষ হব আৰু ইয়াৰ আন সদস্য সকল আংশিকভাবে বোৰ্ডৰ সদস্যসকলৰ মাজৰ পৰা আৰু আংশিকভাবে বাহিৰৰ পৰা বোৰ্ডৰ দ্বাৰা নিয়োজিত কৰা হব ঃ

পৰন্তু বিত্তৰ সৈতে লেনদেন কৰা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয়ৰ পৰা আৰু গ্ৰন্থাগাৰৰ সৈতে লেনদেন কৰা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ পৰা এজনকৈ প্ৰতিনিধি আৰু পশ্চিম বঙ্গ চৰকাৰৰ এজন প্ৰতিনিধি কাৰ্য্যনিৰ্বাহক পৰিষদৰ সদস্য হব ঃ

উপৰন্তু পূৰ্ববৰ্ত্তী পৰন্তুকৰ উপবন্ধাৱলীত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ তিনিজন ব্যক্তিৰ অনধিক বাহিৰৰ পৰা নিয়োজিত কৰিব নোৱাৰিব।

(৩) কাৰ্য্যনিৰ্বাহক পৰিষদে এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতা সমূহৰ প্ৰয়োগত আৰু ইয়াৰ কৰ্ত্তব্য সমূহৰ পালনত বোৰ্ডক সহায় কৰিব আৰু বোৰ্ডৰ এনে ক্ষমতা সমূহৰ প্ৰয়োগ আৰু এনে কৰ্ত্তব্য সমূহ পালন কৰিব যিদৰে বিহিত কৰা হয় বা যিদৰে বোৰ্ডে এনে চৰ্ত্ত সাপেক্ষে আৰোপ কৰে যিটো বোৰ্ডে উচিত বুলি গণ্য কৰে।

(৪) বোৰ্ডৰ পূৰ্ব অনুমোদন সহ বোৰ্ডৰ পদাধিকাৰী আৰু আন কৰ্মচাৰী বৃন্দৰ কোনো ওজৰ-আপত্তিৰ ওপৰত গ্ৰহণ আৰু ন্যায় নিৰ্ণয় কৰিবলৈ কাৰ্য্যনিৰ্বাহক পৰিষদ ক্ষমতাবান হব।

(৫) কাৰ্য্যনিৰ্বাহক পৰিষদৰ সেই সদস্য সকলৰ পদাবধি যি সকল বোৰ্ডৰ সদস্য নহয় বোৰ্ডৰ সদস্য সকলৰ পদাবধিৰ সৈতে সমানে অন্ত হব।

বিশেষ প্ৰয়োজনৰ বাবে বোৰ্ডৰ সৈতে ব্যক্তি সমূহৰ সাময়িক সহযোগিতা।

১২। (১) বোৰ্ডে নিজে এনে ৰীতিত আৰু এনে প্ৰয়োজনাৰ্থে যিদৰে এই অধিনিয়মৰ অধীনত প্ৰনীত বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত কৰা হয় কোনো ব্যক্তিক সহযোগীৰূপে লব পাৰে যাৰ সহায়তা বা পৰামৰ্শ এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য সমূহৰ কোনোটোৰ পালনত আৱশ্যক বুলি ভাবে।

(২) কোনো প্ৰয়োজনাৰ্থে উপধাৰা (১)ৰ অধীনত বোৰ্ডৰ দ্বাৰা ইয়াৰ সৈতে সহযোগী কোনো ব্যক্তিৰ সেই উদ্দেশ্যৰ লগত সম্বন্ধিত বোৰ্ডৰ আলোচনা সমূহত অংশ লোৱাৰ অধিকাৰ থাকিব, কিন্তু এই ধাৰাৰ বলত ভোট দিবলৈ হকদাৰ নহব।

বোৰ্ড আৰু কাৰ্য্যনিৰ্বাহক পৰিষদৰ আদেশ আৰু আন লেখ্য সমূহৰ অধি-প্ৰমাণী কাৰণ।

১৩। (১) বোৰ্ডৰ সকলো আদেশ আৰু বিনিশ্চয়ক এই মৰ্মে বোৰ্ডৰ দ্বাৰা প্ৰাধিকৃত অধ্যক্ষ বা আন কোনো সদস্যৰ স্বাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হব আৰু বোৰ্ডৰ দ্বাৰা জাৰি কৰা আন সকলো লেখ্য এই মৰ্মে একেই ৰীতিত প্ৰাধিকৃত বোৰ্ডৰ কোনো পদাধিকাৰীৰ স্বাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণীত কৰা হব।

(২) কাৰ্য্যনিৰ্বাহক পৰিষদৰ সকলো আদেশ আৰু বিনিশ্চয় গ্ৰন্থাগাৰৰ সঞ্চালকৰ স্বাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণীত কৰা হব।

কুলাধ্যক্ষ। ১৪। (১) ভাৰতৰ ৰাষ্ট্ৰপতি গ্ৰন্থাগাৰৰ কুলাধ্যক্ষ হব।

(২) কুলাধ্যক্ষক তেওঁ নিৰ্দ্দেশ দিয়া দৰে এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা গ্ৰন্থাগাৰৰ সৈতে সম্পৰ্কিত কোনো বিষয়ৰ সম্বন্ধত গ্ৰন্থাগাৰৰ কোনো নিৰীক্ষণ কৰাৰ বা কোনো তদন্ত কৰাৰ অধিকাৰ থাকিব।

(৩) কুলাধ্যক্ষই প্ৰত্যেক ক্ষেত্ৰত কোনো নিৰীক্ষণ বা তদন্ত কৰাৰ তেওঁৰ উদ্দেশ্যৰ বিষয়ে বোৰ্ডক সূচনা দিব আৰু বোৰ্ডে কোনো প্ৰতিনিধিক নিযুক্তি দিবলৈ হকদাৰ হব যাৰ এনে নিৰীক্ষণ বা তদন্তত উপস্থিত থকাৰ আৰু শুনানীৰ অধিকাৰ থাকিব।

(৪) কুলাধ্যক্ষই এনে নিৰীক্ষণ আৰু তদন্তৰ ফলাফলৰ প্ৰসংগত অধ্যক্ষলৈ নিবেদন কৰিব, আৰু অধ্যক্ষই এনে পৰামৰ্শ সহ কুলাধ্যক্ষৰ মতামত বোৰ্ডক অৱগত কৰিব যিদৰে কুলাধ্যক্ষই ইয়াৰ ওপৰত লবলগীয়া কাৰ্য্যব্যৱস্থাৰ ওপৰত প্ৰস্তাৱ কৰে।

(৫) বোৰ্ডে এনে কাৰ্য্যব্যৱস্থা, যদি কিবা থাকে, অধ্যক্ষৰ মাধ্যমেৰে কুলাধ্যক্ষলৈ যোগাযোগ কৰিব যেনেদৰে ইয়াক এনে পৰিদৰ্শন বা অনুসন্ধানৰ ফলাফলৰ ওপৰত লবলৈ প্ৰস্তাৱিত হয় বা লোৱা হৈছে।

(৬) য'ত বোৰ্ডে, যুক্তি-যুক্ত সময়ৰ ভিতৰত কুলাধ্যক্ষৰ সন্তুষ্টিত কোনো কাৰ্য্য ব্যৱস্থা নলয় তেতিয়া কুলাধ্যক্ষই বোৰ্ডৰ দ্বাৰা দাখিল কৰা স্পষ্টীকৰণ বা প্ৰতিবেদন বিবেচনা কৰাৰ পিচত তেওঁ উচিত বুলি ভবা দৰে এনে নিৰ্দ্দেশ জাৰি কৰিব পাৰে আৰু বোৰ্ডে এনে নিৰ্দ্দেশ পালন কৰিবলৈ বাধ্য হব।

(৭) এই ধাৰাৰ পূৰ্বগামী উপবন্ধ সমূহত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ কুলাধ্যক্ষই, লিখিত আদেশৰ দ্বাৰা বোৰ্ডৰ কোনো কাৰ্য্যবাহী ৰদ বা স্থগিত কৰিব পাৰে যিটো এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলীৰ উপবন্ধ সমূহৰ সৈতে অমিল নহয়ঃ

পৰন্তু এনে আদেশ কৰা নহব যদিহে বোৰ্ডক সেই বিষয়ত কোনো প্ৰতিবেদন দিয়াৰ যুক্তি যুক্ত সুযোগ দিয়া নহয়।

গ্ৰন্থাগাৰৰ সঞ্চালক। ১৫। (১) কুলাধ্যক্ষই বিহিত কৰা দৰে এনে ৰীতিত কোনো ব্যক্তিক যিজন কৃতিত্বৰ বিদ্বান হয় বা উচ্চ শিক্ষাগত অৰ্হতা থকা কৃতী গ্ৰন্থাগাৰক হয়, গ্ৰন্থাগাৰৰ সঞ্চালক হিচাবে নিযুক্তি দিব পাৰে।

(২) সঞ্চালকৰ পদাবধি, তেওঁ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰ কালৰ বাবে বা ষাঠি বছৰ বয়সলৈকে হ'ব যিটোৱেই আগতীয়া হয়ঃ

পৰন্তু কোনো ব্যক্তিয়ে তেওঁৰ ষাঠি বছৰ বয়স হোৱাৰ পিচত সঞ্চালকৰ পদ ধাৰণ নকৰিব।

(৩) সঞ্চালকে এনে বেতন আৰু ভাত্তাৰ হকদাৰ হ'ব আৰু বিহিত কৰা দৰে সেৱাৰ এনে আন চৰ্ত্তাৱলী সাপেক্ষে হ'ব।

(৪) সঞ্চালক হিচাবে নিযুক্ত আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণত এনেদৰে পদ ধাৰণ কৰা কোনো ব্যক্তি এই ধাৰাৰ অধীনত নিযুক্ত ব্যক্তি বুলি গণ্য হ'ব আৰু ইয়াৰ উপবন্ধাৱলী তদনুসাৰে তেওঁলৈ প্ৰযোজ্য হ'ব।

বোৰ্ডৰ কৰ্মচাৰী বৃন্দ। ১৬। (১) এই ধাৰাৰ উপবন্ধাৱলীৰ সাপেক্ষে, বোৰ্ডে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য সমূহ পালন কৰিবলৈ দক্ষতাৰে সমৰ্থ কৰাৰ প্ৰয়োজনাৰ্থে এনে সংখ্যক পদাধিকাৰী আৰু আন কৰ্মচাৰী সকলৰ নিয়োগ কৰিব পাৰে যিদৰে ই উচিত বুলি ভাবে আৰু এনে নিযুক্তি সমূহ কৰাত বোৰ্ডে সংঘৰ সেৱা সমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি সমূহৰ বাবে আৰক্ষণৰ সম্বন্ধত তৎসময় বলবৎ কেন্দ্ৰীয় চৰকাৰৰ আদেশ সমূহৰ অনুৰূপে কাৰ্য্য কৰিব।

(২) এনে পদাধিকাৰী আৰু অন্য কৰ্মচাৰী সকলৰ সেৱাৰ মকৰল আৰু চৰ্ত্তাৱলী এই অধিনিয়মৰ অধীনত কৰা বিনিয়মসমূহৰ দ্বাৰা উপবন্ধিত কৰা দৰে হ'ব।

(৩) প্ৰতিনিয়োগত নিযুক্ত নোহোৱা কোনো পদাধিকাৰী বা আন কৰ্মচাৰী বোৰ্ডৰ প্ৰত্যেক পদাধিকাৰী বা আন কৰ্মচাৰীক কেনো লিখিত চুক্তিত নিযুক্ত কৰা হব যিটো বোৰ্ডত নিবিষ্ট হব আৰু ইয়াৰ এটা প্ৰতিলিপি সংশ্লিষ্ট কৰ্মচাৰীক দিয়া হব।

(৪) প্ৰতিনিযুক্তিত নিযুক্ত নোহোৱা কোনো পদাধিকাৰী বা কৰ্মচাৰী বোৰ্ড আৰু ইয়াৰ কোনো পদাধিকাৰী বা আন কৰ্মচাৰী সকলৰ মাজত হোৱা কোনো চুক্তিত উদ্ভৱ হোৱা কোনো বিবাদ সংশ্লিষ্ট কৰ্মচাৰীৰ অনুৰোধত বা বোৰ্ডৰ আবেদনত বোৰ্ডৰ দ্বাৰা নিযুক্ত এজন সদস্য, কৰ্মচাৰীৰ দ্বাৰা মনোনীত এজন সদস্য আৰু কুলাধ্যক্ষৰ দ্বাৰা নিযুক্ত প্ৰতিনিৰ্ণায়কৰে গঠিত মধ্যস্থ ন্যায়াধিকৰণলৈ নিৰ্দ্দেশিত কৰিব।

(৫) মধ্যস্থ ন্যায়াধিকৰণৰ বিনিশ্চয় চূড়ান্ত হব আৰু কোনো ন্যায়ালয়তে প্ৰশ্নগত নহব।

(৬) কোনো বাদ বা আন কাৰ্য্যবাহী কোনো বিষয়ৰ সম্বন্ধত কোনো ন্যায়ালয়ত নচলিব যিটো মধ্যস্থ ন্যায়াধিকৰণলৈ নিৰ্দ্দেশিত হবলৈ উপধাৰা ৪ৰ দ্বাৰা অপেক্ষিত কৰা হয়।

(৭) মধ্যস্থ ন্যায়াধিকৰণৰ ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰাৰ অধিকাৰ থাকিব।

(৮) মধ্যস্থৰ লগত সম্বন্ধিত তৎসময়ত বলবৎ আন কোনো বিধিৰ কোনো কথাই এই ধাৰাৰ অধীনত মধ্যস্থকলৈ প্ৰযোজ্য নহব।

বোৰ্ডৰ বিদ্যমান কৰ্মচাৰী সকলৰ সেৱাত অন্তৰণ। ১৭। (১) বোৰ্ডৰ স্থাপনত, গ্ৰন্থাগাৰৰ সেৱাত থকা পদাধিকাৰী বা আন কৰ্মচাৰী সকলৰ কোনজনক বোৰ্ডৰ আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে আদেশৰ দ্বাৰা আৰু এনে তাৰিখ বা তাৰিখ সমূহত প্ৰভাৱী হোৱাকৈ অন্তৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ বাবে বিধিপূৰ্ণ হবঃ

পৰন্তু এই উপধাৰাৰ অধীনত কোনো আদেশ কোনো পদাধিকাৰী বা আন কৰ্মচাৰীৰ সম্বন্ধত কৰা নহব যিয়ে, বোৰ্ডৰ এনে পদাধিকাৰী বা কৰ্মচাৰী অন্তৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱৰ সম্বন্ধত বোৰ্ডৰ কোনো কৰ্মচাৰী নোহোৱা তেওঁৰ অভিপ্ৰায় সেই চৰকাৰৰ দ্বাৰা এই মৰ্মে বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সময়ৰ ভিতৰত জনাইছে।

(২) উপধাৰা (১)ৰ অধীনত কৰা কোনো আদেশৰ দ্বাৰা অন্তৰিত কোনো পদাধিকাৰী বা আন কৰ্মচাৰী এনে তাৰিখত আৰু এনে তাৰিখৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ কোনো কৰ্মচাৰী হৈ নাথাকিব আৰু এনে পদমৰ্য্যদাৰে বোৰ্ডৰ কৰ্মচাৰী হব যিদৰে বোৰ্ডে

অৱধাৰণ কৰে আৰু উপধাৰা (৩), (৪) আৰু (৫)ৰ উপবন্ধাৱলীৰ সাপেক্ষে পাৰিতোষিক আৰু অৱসৰ বেতন ছুটী আৰু ভবিষ্য নিধি অন্তৰ্ভুক্ত কৰি পাৰিতোষিক আৰু সেৱাৰ আন চৰ্ত্তসমূহৰ বিষয়ে এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰণীত বিনিয়ম সমূহৰ দ্বাৰা প্ৰমাণিত হব আৰু বোৰ্ডৰ কৰ্মচাৰী হিচাবে নিৰন্তৰ থাকিব যদিহে আৰু যেতিয়ালৈকে তেওঁৰ নিয়োজন বোৰ্ডৰ দ্বাৰা অৱসান কৰা নহয়।

(৩) উপধাৰা (১)ৰ অধীনত প্ৰণীত কোনো আদেশৰ দ্বাৰা অন্তৰিত প্ৰত্যেক পদাধিকাৰী বা কৰ্মচাৰীয়ে, এনে তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত প্ৰকাশিত হোৱা বুলি লিখিত ভাবে তেওঁৰ বাছনি দিব -

(ক) বোৰ্ডৰ স্থাপনৰ তাৰিখৰ অব্যৱহিত পূৰ্বে চৰকাৰৰ অধীনত তেওঁৰ দ্বাৰা ধাৰণ কৰা পদত প্ৰয়োগযোগ্য দৰমহাৰ নিৰিখৰ দ্বাৰা বা বোৰ্ডৰ অধীনত পদৰ প্ৰয়োগযোগ্য দৰমহাৰ নিৰিখৰ দ্বাৰা যিটোত তেওঁক অন্তৰিত কৰা হয়,

(খ) সময়ে সময়ে সংশোধিত কৰা দৰে কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী আৰু আদেশ সমূহৰ অনুসাৰে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী সকলৰ গ্ৰহনযোগ্য ছুটী, ভবিষ্য নিধি, অৱসৰ বা আন অৱসৰকালীন সুবিধা সমূহৰ দ্বাৰা বা এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰণীত বিনিয়ম সমূহৰ অধীনত বোৰ্ডৰ কৰ্মচাৰী সকলৰ গ্ৰহণযোগ্য ছুটী, ভবিষ্য নিধি, বা অৱসৰকালীন সুবিধা সমূহৰ দ্বাৰা আৰু এবাৰ কাৰ্য্যকৰী হোৱা এনে বাছনি চূড়ান্ত হব ঃ

পৰন্তু খণ্ড (ক)ৰ অধীনত প্ৰযোজ্য বাছনি সেই পদৰ সম্পৰ্কত কেৱল প্ৰয়োগযোগ্য হব য'ত এনে ব্যক্তিক বোৰ্ডলৈ অন্তৰিত কৰা হৈছে আৰু বোৰ্ডৰ অধীনত কোনো উচ্চ পদৰ নিযুক্তিত তেওঁ এনে উচ্চ পদৰ প্ৰয়োগযোগ্য বেতনৰ নিৰিখৰ বাবে কেৱল যোগ্য হব ঃ

উপৰন্তু যদি এনে ব্যক্তিৰ অন্তৰণৰ তাৰিখৰ অব্যৱহিত পূৰ্বে এনে কোনো ব্যক্তিয়ে ছুটীৰ কাৰণে পদৰিক্তি বা কোনো বিনিৰ্দ্দিষ্ট কালৰ আন কোনো পদৰিক্তিতেই হওক চৰকাৰৰ অধীনত কোনো উচ্চ পদত কাৰ্য্য চলাই থাকে তেওঁ দৰমহা অন্তৰণৰ ওপৰত, এনে পদৰিক্তিৰ অৱসান নোহোৱা কালৰ বাবে সুৰক্ষিত হব আৰু তাৰ পিচত তেওঁ চৰকাৰৰ অধীনত পদৰ প্ৰয়োগযোগ্য দৰমহাৰ নিৰিখৰ বাবে হ'কদাৰ হব যিটোত তেওঁ পৰিৱৰ্ত্তিত হলহেতেন বা বোৰ্ডৰ অধীনত কোনো পদৰ প্ৰয়োগযোগ্য দৰমহাৰ নিৰিখলৈ হকদাৰ হব যিটোত তেওঁক অন্তৰিত কৰা হয়, যিটোৱেই তেওঁ বাছি লয়।

(৪) উপধাৰা (১)ৰ অধীনত প্ৰণীত কোনো আদেশৰ দ্বাৰা অন্তৰিত হোৱা কোনো পদাধিকাৰী বা আন কৰ্মচাৰীক -

(ক) এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰণীত বিনিয়মাৱলীত বিনিৰ্দ্দিষ্ট কৰা দৰে বোৰ্ডৰ অধীনত সদৃশ বা সমানুপাতিক নিযুক্তি কৰিবলৈ যোগ্য প্ৰাধিকাৰীতকৈ অধীনস্থ কোনো প্ৰাধিকাৰীৰ দ্বাৰা পদচ্যুত বা অপসাৰিত কৰা নহব ।

(খ) কোনো তদন্তৰ ব্যতিৰেকে পদচ্যুত বা অপসাৰিত বা পদৰ অধোনমিত কৰা নহব যি তদন্তত তেওঁক তেওঁৰ বিৰুদ্ধে অভিযোগৰ কথা জনোৱা হৈছে আৰু সেইবোৰ অভিযোগৰ শুনানীৰ যুক্তিযুক্ত সুযোগ দিয়া হৈছে আৰু য'ত এনে তদন্তৰ পিচত এনে কোনো দণ্ড আৰোপিত কৰিবলৈ প্ৰস্তাৱিত কৰা হয় যেতিয়ালৈকে প্ৰস্তাৱিত দণ্ডৰ ওপৰত কোনো প্ৰতিবেদন কৰাৰ যুক্তিযুক্ত সুযোগ তেওঁক দিয়া নহয়, কিন্তু কেৱল এনে তদন্তৰ সময়ত সাক্ষ্য দিয়াৰ আধাৰত হব ঃ

পৰন্তু এই খণ্ড প্ৰযোজ্য নহব --

(I) য'ত কোনো পদাধিকাৰী বা কৰ্মচাৰীক যিটো আচৰণৰ আধাৰত পদচ্যুত, অপসাৰিত বা পদত অধোনমিত কৰা হৈছে যিটোৱে দাণ্ডিক অভিযোগত দোষী সাব্যস্ত কৰিব পাৰে ;

(II ) য'ত কোনো পদাধিকাৰী বা কৰ্মচাৰীক পদচ্যুত বা অপসাৰণ বা পদমৰ্য্যদা হ্ৰাস কৰিবলৈ ক্ষমতাৰোপিত প্ৰাধিকাৰীয়ে সেই প্ৰাধিকাৰীৰ দ্বাৰা অভিলেখিত বুলি কোনো কাৰণৰ দ্বাৰা সন্তুষ্ট হয়, এনে তদন্ত কৰিবলৈ যুক্তিযুক্ত ভাবে প্ৰয়োগ নহব , বা

(III ) কোনো পদাধিকাৰী বা আন কৰ্মচাৰীলৈ যিসকল বোৰ্ডলৈ অন্তৰণৰ পিচত, কোনো মুকলি বিজ্ঞাপনৰ সহাৰিত আৰু বহিৰাগতৰ প্ৰতিযোগিতাত বোৰ্ডৰ অধীনত কোনো উচ্চ পদত নিযুক্ত হয়।

(৫) যদি, পূৰ্বোক্ত দৰে এনে কোনো পদাধিকাৰী বা কৰ্মচাৰীৰ ক্ষেত্ৰত উপধাৰা (৪)ত নিৰ্দেশিত দৰে এনে তদন্ত কৰিবলৈ যুক্তিযুক্ত ভাৱে প্ৰয়োগ সাধ্য হয় নে নহয় কোনো প্ৰশ্ন উদ্ভৱ হয়, তেওঁক পদচ্যুত বা অপসাৰিত কৰিবলৈ বা তেওঁৰ পদমৰ্য্যদা হ্ৰাস কৰিবলৈ ক্ষমতাৰোপিত প্ৰাধিকাৰীৰ সিদ্ধান্তই চূড়ান্ত হব।

গ্ৰন্থাগাৰ ভাৰতৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ হিচাপে জ্ঞাত হব আৰু গ্ৰন্থাগাৰৰ অৱস্থিতি।

১৮। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণত বা পাচত গ্ৰন্থাগাৰ ''ভাৰতৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ'' হিচাপে জ্ঞাত হব আৰু তৎসময় বলবৎ কোনো বিধিত বা কোনো চুক্তি পত্ৰ, লেক্ষ্য বা আন দস্তাৱেজত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰৰ কোনো নিৰ্দেশ ভাৰতৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰৰ নিৰ্দেশ ৰূপে অৰ্থ কৰিব।

(২) গ্ৰন্থাগাৰ নিৰন্তৰ ভাবে কলিকতাত অৱস্থিত হব।

## অধ্যায় -৩
## বোৰ্ডৰ সম্পত্তি, দায়িত্ব আৰু কৃত্য সমূহ ।

বোৰ্ডৰ সম্পত্তি আৰু দায়িত্ব সমূহ।

১৯। (১) বোৰ্ডৰ স্থাপনত ---

(i) সকলো সম্পত্তি, নিধি আৰু শোধ্য যিটো কেন্দ্ৰীয় চৰকাৰত ন্যস্ত কৰা হয় বা গ্ৰন্থাগাৰৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আদায় যোগ্য হয়, সেইবোৰ বোৰ্ডত ন্যস্ত কৰা হব আৰু বোৰ্ডৰ দ্বাৰা আদায়যোগ্য হব ; আৰু

(ii) গ্ৰন্থগাৰৰ সম্বন্ধত থকা সকলো দায়িত্ব যিটো কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে বলবৎ কৰণীয় হয় বোৰ্ডৰ বিৰুদ্ধে কেৱল বলবৎকৰণীয় হব।

বোৰ্ডৰ কৰ্ত্তব্য সমূহ। ২০। (১) গ্ৰন্থপঞ্জীৰ প্ৰস্তুতকৰণ, বৰ্ণনামূলক চিত্ৰ তালিকা আৰু আন বিষয় সমূহ অন্তৰ্ভুক্ত কৰি আধুনিক বৈজ্ঞানিক পদ্ধতিত গ্ৰন্থাগাৰৰ উন্নয়নৰ বাবে গ্ৰন্থগাৰ পৰিচালনা কৰিবলৈ আৰু আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ, গ্ৰন্থাগাৰ আৰু ইয়াৰ কামৰ লগত সম্বন্ধিত বিষয় সমূহত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমূহৰ পৰামৰ্শ দিবলৈ বোৰ্ডৰ সাধাৰণ কৰ্ত্তব্য হব আৰু কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে বোৰ্ডলৈ ন্যস্ত কৰা দৰে এনে আনকৃত্য সমূহ পালন কৰিব।

(২) বিশেষতঃ আৰু পূৰ্বগামী উপবন্ধৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ বোৰ্ডে এনে ব্যৱস্থা লব পাৰিব যিদৰে ই উচিত বুলি ভাবে --

(ক) গ্ৰন্থাগাৰৰ ব্যৱহাৰৰ বাবে জনসাধাৰণৰ সেৱা কৰিবলৈ আৰু আধুনিক বৈজ্ঞানিক পদ্ধতিত গ্ৰন্থাগাৰত পাণ্ডুলিপি, কিতাপ আৰু আন সম্পদ সমূহৰ বিদ্যমান সংগ্ৰহ সংৰক্ষণ কৰিবলৈ ;

(খ) ভাৰতত মুদ্ৰিত সামগ্ৰীৰ সকলো তাৎপৰ্য্যপূৰ্ণ উৎপাদন, কোনো ঠাই নিৰ্বিশেষে ভাৰতৰ বিষয়ে সকলো মুদ্ৰিত সামগ্ৰী য'ৰ পৰা এইটো প্ৰকাশিত হয় আৰু ৰাষ্ট্ৰীয় গুৰুত্বৰ পাণ্ডুলিপি অধিগ্ৰহণ আৰু সংৰক্ষন কৰিবলৈ ;

(গ) কিতাপ আৰু বাতৰিকাকত পৰিদান (সাৰ্বজনিক গ্ৰন্থাগাৰ) অধিনিয়ম, ১৯৫৪ ধাৰা ২ ৰ খণ্ড (খ) ৰ অৰ্থৰ ভিতৰত আন সাৰ্বজনিক গ্ৰন্থগাৰক কাৰিকৰী পৰামৰ্শ দিবলৈ ;

(ঘ) গ্ৰন্থপঞ্জীৰ প্ৰকাশন আৰু গ্ৰন্থপঞ্জীৰ প্ৰকাশনত প্ৰতিষ্ঠান আৰু বিদ্বানক সহায়তা কৰাৰ ব্যৱস্থা কৰিবলৈ ;

(ঙ) বুৰঞ্জী, সাহিত্য কলা, বিজ্ঞান আৰু তদ্ৰুপ সম্বন্ধিত বিষয় সমূহৰ ওপৰত আলোচনা চক্ৰ আৰু অধ্যয়ন চক্ৰৰ বাবে সুবিধা সমূহ উপবন্ধিত কৰিবলৈ আৰু উন্নীত কৰিবলৈ ;

(চ) জনসাধাৰণৰ হিতত বোৰ্ডৰ মতত গ্ৰন্থগাৰৰ এনে পাণ্ডুলিপি, কিতাপ, সামগ্ৰী বা বস্তুৰ প্ৰদৰ্শনৰ বাবে ব্যৱস্থা কৰিবলৈ ;

(ছ) ভাৰতৰ বাহিৰৰ দেশ সমূহৰ গ্ৰন্থগাৰ আৰু আন অনুষ্ঠান সমূহৰ কিতাপ আৰু সাময়িক আলোচনী আদান প্ৰদানৰ ব্যৱস্থা আৰু উন্নীত কৰিবলৈ ;

(জ) বোৰ্ড আৰু আন ব্যক্তি বা অনুষ্ঠানৰ মাজত চুক্তি হোৱা দৰে এনে চৰ্ত্ত আৰু নিবন্ধনত কোনো ব্যক্তি বা অনুষ্ঠানৰ হকে পাণ্ডুলিপি, কিতাপ, সামগ্ৰী বা বস্তুৰ দ্বিতীয় প্ৰতিলিপি সংৰক্ষণৰ (দ্বিতীয় ছবি প্ৰতিলিপি অন্তৰ্ভুক্ত কৰি) ব্যৱস্থা কৰিবলৈ ;

(ঝ) ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰৰ ভূমিকাৰ সৈতে অনুৰূপ কৰা দৰে এনে আন সকলো ব্যৱস্থা কৰিবলৈ ।

বোৰ্ডৰ ক্ষমতা ২১। (১) কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰিবলৈ উচিত বুলি ভবা দৰে এনে চৰ্ত্ত আৰু নিৰ্বন্ধন সমূহৰ সাপেক্ষে বোৰ্ডে এই অধিনিয়মৰ অধীনত ইয়াৰ কৰ্ত্তব্য সমূহ নিৰ্বাহ কৰাৰ প্ৰয়োজনাৰ্থে আৱশ্যক বা সমীচীন হোৱা দৰে এনে সকলো ক্ষমতা প্ৰয়োগ কৰিব পাৰে ।

(২) এই মৰ্মে বোৰ্ডৰ দ্বাৰা প্ৰণীত কৰা এনে বিনিয়মাৱলীৰ সাপেক্ষে, বোৰ্ডে সময়ে সময়ে এনে পাণ্ডুলিপি, কিতাপ সামগ্ৰী বা বস্তু ক্ৰয় বা অন্যথা অধিগ্ৰহণ কৰিব পাৰিব যিদৰে বোৰ্ডৰ মতত ই গ্ৰন্থাগাৰৰ মূল্যবান সংৰক্ষণৰ হয় ।

## অধ্যায় -৪

## বিত্ত, হিচাপ, হিচাপ পৰীক্ষা আৰু প্ৰতিবেদন

বোৰ্ডলৈ কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী। ২২। এই অধিনিয়মৰ অধীনত সুচাৰুৰূপে ইয়াৰ কৃত্য সমূহ পালন কৰিবলৈ বোৰ্ডক সমৰ্থ কৰাৰ প্ৰয়োজনাৰ্থে, কেন্দ্ৰীয় চৰকাৰে, এই মৰ্মে বিধিগতভাবে সংসদৰ দ্বাৰা প্ৰণীত সম্যক বিনিয়োগৰ পিচত ঋণ বা অন্যথা মঞ্জুৰী বা অন্য ধৰণে সেই চৰকাৰে আৱশ্যক বিবেচনা কৰা দৰে ধনৰ এনে পৰিমাণ প্ৰত্যেক বিত্তীয় বৰ্ষত বোৰ্ডক আদায় দিব পাৰে ।

বোৰ্ডৰ নিধি। ২৩। বোৰ্ডে এনে এটা নিধি তদাৰক কৰিব য'ত নিম্নলিখিত সমূহ জমা হব ---

(ক) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আদায় দিয়া সকলো ধন ঃ

(খ) এই অধিনিয়মৰ দ্বাৰা উদগৃহীত সকলো মাচুল আৰু আন প্ৰভাৰ ;

(গ) মঞ্জুৰী, দান, বৰঙণি, অনুগ্ৰহ, ইচ্ছাপত্ৰৰ দ্বাৰা দান কৰা, চান্দা, অৰিহনা বা অন্তৰণৰ জৰিয়তে বোৰ্ডৰ দ্বাৰা প্ৰাপ্ত কৰা সকলো ধন ;

(ঘ) আন কোনো ৰীতি বা আন কোনো উৎসৰ পৰা বোৰ্ডৰ দ্বাৰা লাভ কৰা আন সকলো ধন ;

(২) বোৰ্ডে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহ পালনৰ বাবে ই উচিত বিবেচনা কৰা দৰে এনে ধন ৰাশি খৰচ কৰিব পাৰে আৰু এনে ধন ৰাশি নিধিৰ পৰা দিবলগীয়া খৰচ হিচাবে ধৰা হব।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত কৰা দৰে এনে পৰিমাণৰ অনধিক কোনো ধনৰ ৰাশি ভাৰতীয় ৰিজাৰ্ভ বেংক অধিনিয়ম ১৯৩৪ ধাৰা ২ত পৰিভাষিত দৰে কোনো অনুসূচিত বেংক বা এই মৰ্মে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত আন কোনো বেংকত চলিত খাতাত ৰাখিব পাৰিব কিন্তু সেই ৰাশিৰ অধিক কোনো ধন ভাৰতৰ ৰিজাৰ্ভ বেংক বা ভাৰতৰ ৰিজাৰ্ভ বেংকৰ এজেন্টৰ সৈতে বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত কৰা দৰে এনে ৰীতিত বিনিয়োগত জমা হব ।

বাজেট। ২৪। (১) বোৰ্ডে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা দৰে প্ৰত্যেক বৰ্ষত এনে তাৰিখৰ দ্বাৰা প্ৰাক্ কলিত প্ৰাপ্তি আৰু ব্যয় আৰু সেই বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা অপেক্ষিত হোৱা কোনো ধনৰাশি দেখুৱাই ইয়াৰ দ্বাৰা বিনিৰ্দিষ্ট প্ৰ-পত্ৰত পৰৱৰ্ত্তী বিত্তীয় বৰ্ষৰ বাবে বাজেট অনুমোদনৰ বাবে ইয়ালৈ দাখিল কৰিব ।

(২) যদি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মঞ্জুৰীকৃত কোনো ধন কোনো বিত্তীয় বৰ্ষত সম্পূৰ্ণ বা আংশিক ভাবে খৰচ নোহোৱাকৈ থাকে, তেতিয়া সেই খৰচ নোহোৱা ধন দ্বিতীয় বিত্তীয় বৰ্ষলৈ ধৰা হব আৰু সেই বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপবন্ধিত বুলি অবধাৰণ কৰা ধন সেই খাতাত জমা হব ;

(৩) উপধাৰা (৪)ৰ উপবন্ধ সমূহৰ সাপেক্ষে, কোনো ধন বোৰ্ডৰ দ্বাৰা বা হকে ব্যয় কৰা নহব, যদিহে ব্যয় কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত বাজেটত উপবন্ধৰ দ্বাৰা ধৰা নহয়।

(৪) এনে চৰ্ত্তাৱলী আৰু নিবৰ্ন্ধন সাপেক্ষে, যিদৰে কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰিবলৈ উচিত বুলি ভাবে বোৰ্ডে ব্যয়ৰ এটা শিতানৰ পৰা আন এটালৈ বা এটা প্ৰয়োজনৰ বাবে প্ৰণীত কোনো উপবন্ধৰ পৰা আন প্ৰয়োজনৰ বাবে কোনো পূৰ্ণবিনিয়োগ সংযোদন কৰিব পাৰে।

**বোৰ্ডৰ হিচাপ আৰু হিচাপ পৰীক্ষা।**

২৫। (১) বোৰ্ডে সঠিক হিচাপ আৰু আন প্ৰাসংগিক হিচাপ সমূহ ৰাখিব আৰু ভাৰতৰ মহা নিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কৰা দৰে আৰু জাৰি কৰা এনে সাধাৰণ নিৰ্দেশৰ অনুসাৰে এনে প্ৰপত্ৰত উদ্ধৃত পত্ৰ অন্তৰ্ভুক্ত কৰি হিচাপৰ এটা বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব।

(২) বোৰ্ডৰ হিচাপ সমূহ ভাৰতৰ মহানিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষকৰ দ্বাৰা বাৰ্ষিক পৰীক্ষা কৰিব আৰু এনে হিচাপ পৰীক্ষকৰ সম্পৰ্কত তেওঁৰ দ্বাৰা উপগত কোনো ব্যয় ভাৰতৰ মহানিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষকলৈ বোৰ্ডৰ দ্বাৰা দেয় হব।

(৩) ভাৰতৰ মহা নিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষক আৰু বোৰ্ডৰ হিচাপ সমূহৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিযুক্ত কোনো ব্যক্তিৰ এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একেই অধিকাৰ, বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব যিদৰে ভাৰতৰ মহানিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষকৰ চৰকাৰী হিচাপ সমূহৰ হিচাপ পৰীক্ষকৰ সম্পৰ্কত থাকে আৰু বিশেষত, কিতাপ, হিচাপ সমূহ, সম্পৰ্কিত ৰচিদ আৰু আন দস্তাৱেজ আৰু নথি-পত্ৰ পেশ কৰাৰ দাবী কৰিবলৈ আৰু বোৰ্ডৰ আৰু গ্ৰন্থাগাৰৰ কাৰ্য্যালয় পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব।

(৪) হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে ভাৰতৰ মহানিয়ন্ত্ৰক আৰু হিচাপ পৰীক্ষকৰ বা এই মৰ্মে তেওঁৰ দ্বাৰা নিযুক্ত আন কোনো ব্যক্তিৰ দ্বাৰা প্ৰমাণিত কৰা দৰে বোৰ্ডৰ হিচাপ সমূহ একেলগে কেন্দ্ৰীয় চৰকাৰলৈ বাৰ্ষিক ভাবে বোৰ্ডৰ দ্বাৰা প্ৰেৰণ কৰা হব আৰু সেই চৰকাৰে সেইবোৰৰ প্ৰত্যেক সদনৰ সম্মুখত উত্থাপিত কৰিব।

**প্ৰবিৱৰণ আৰু প্ৰতিবেদন।**

২৬। (১) এনে প্ৰবিৱৰণ, বিবৃতি আৰু সবিশেষ কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দেশ কৰা দৰে এনে সময়ত আৰু এনে প্ৰ-পত্ৰত আৰু এনে ৰীতিত কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰিব যিদৰে কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে অপেক্ষা কৰে।

(২) উপধাৰা (১)ৰ উপবন্ধ সমূহত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ বোৰ্ডে, প্ৰত্যেক বিত্তীয় বৰ্ষৰ প্ৰাৰম্ভণৰ পিচত, যিমান সম্ভৱ সোনকালে, পূৰ্বৰ বিত্তীয় বৰ্ষৰ ভিতৰত বোৰ্ডৰ কাৰ্য্যকলাপৰ সত্য আৰু সম্পূৰ্ণ হিচাপ দি আৰু চলিত বিত্তীয় বৰ্ষৰ ভিতৰত সম্ভৱত লবলগা কাৰ্য্যকলাপ সমূহৰ হিচাপ দি কোনো প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাৰ দৰে এনে সময়ৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰিব আৰু কেন্দ্ৰীয় চৰকাৰে সেইবোৰ প্ৰত্যেক সদনৰ সম্মুখত উত্থাপিত কৰিব।

## অধ্যায় -৫

## বিবিধ

**ক্ষমতা আৰু কৰ্ত্তব্য সমূহৰ প্ৰত্যাযোজন।**

২৭। বোৰ্ডে লিখিতভাবে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা নিৰ্দ্দেশ দিব যে ক্ষমতা বা কৰ্ত্তব্য সমূহৰ সকলো বা কোনোটো যিটো ইয়াৰ দ্বাৰা প্ৰয়োগ বা নিৰ্বহন কৰিব পাৰে, এনে পৰিস্থিতিত বা এনে চৰ্ত্তাৱলীৰ অধীনত , যদি কিবা থাকে, যিদৰে আদেশত বিনিৰ্দিষ্ট কৰা হয়, আদেশত এই মৰ্মে বিনিৰ্দ্দিষ্ট কৰা দৰে বোৰ্ডৰ কোনো সদস্য বা কোনো পদাধিকাৰী বা আন কৰ্মচাৰীৰ দ্বাৰাও প্ৰয়োগ বা নিৰ্বহন কৰা হব।

**বোৰ্ডৰ পদাধিকাৰী আৰু কৰ্মচাৰী সকল লোক সেৱক হব।**

২৮। বোৰ্ডৰ সকলো পদাধিকাৰী আৰু কৰ্মচাৰী (গ্ৰন্থাগাৰৰ সঞ্চালককো অন্তৰ্ভুক্ত কৰি) যেতিয়া এই অধিনিয়মৰ উপবন্ধাৱলী বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা বিনিয়ম সমূহৰ অনুসাৰে কাৰ্য্য কৰিবলৈ কাৰ্য্য কৰা বা অৰ্থ কৰা হয়, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোক সেৱক বুলি গণ্য হব।

**এই অধিনিয়মৰ অধীনত লোৱা কাৰ্য্যৰ সুৰক্ষা।**

২৯। কোনো বাদ, অভিযোগ বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়মৰ উপবন্ধাৱলী বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা বিনিয়মৰ অনুসাৰে সৰল বিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত কোনোটোৰ বাবে বোৰ্ড বা বোৰ্ডৰ (গ্ৰন্থাগাৰৰ সঞ্চালককো অন্তৰ্ভুক্ত কৰি) কোনো সদস্য বা কোনো পদাধিকাৰী বা আন কৰ্মচাৰীৰ বিৰুদ্ধে নচলিব।

**নিয়মাৱলী প্ৰণয়ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা।**

৩০। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধ সমূহ প্ৰভাৱী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু যেতিয়া বোৰ্ড স্থাপিত কৰা হয় এনে কোনো নিয়ম বোৰ্ডৰ লগত পৰামৰ্শ নকৰাকৈ প্ৰণীত কৰা নহব।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্ন লিখিত বিষয় সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধিত কৰিব পাৰে, অৰ্থাৎ ----

(ক) কোনো সদস্যক (ধাৰা ১১ৰ অধীনত নিযুক্ত কাৰ্য্যবাহী পৰিষদৰ কোনো সদস্যক অন্তৰ্ভুক্ত কৰি) আৰু ধাৰা ১ৰ অধীনত বোৰ্ডৰ সৈতে যুক্ত কোনো ব্যক্তিক দিবলগীয়া ভ্ৰমণ আৰু আন ভাত্তা সমূহ ;

(খ) ধাৰা ১৫ৰ অধীনত গ্ৰন্থাগাৰৰ সঞ্চালকৰ পদৰ নিযুক্তিৰ ৰীতি আৰু বেতন আৰু ভাট্টা সমূহ আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(গ) চৰ্ত্তবোৰ যিবোৰৰ সাপেক্ষে আৰু পদ্ধতি যিবোৰত চুক্তি বোৰ্ডৰ দ্বাৰা বা হকে কৰা হয় ;

(ঘ) আন কোনো বিষয় যিটো বিহিত বুলি কৰা হৈছে বা কৰিব পাৰিব ।

(৩) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিচত লগে লগেই এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে চলি থকা সময়ত সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উত্থাপন কৰিব লাগিব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যাহতিত পৰবৰ্ত্তী অধিবেশন বা ক্ৰমাগত অধিবেশন সমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত কোনো সাল-সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত নিয়ম যথাস্থিতি এনে সাল-সলনি আকাৰত প্ৰভাৱী হব বা একেবাৰে প্ৰভাৱহীন হব, সেয়ে হলেও এনে সাল সলনি বা ৰদকৰণে সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

**বিনিয়মাৱলী প্ৰণয়ন কৰিবলৈ বোৰ্ডৰ ক্ষমতা ।**

৩১ । (১) বোৰ্ডে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনত এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহ পালন কৰিবলৈ ইয়াক সমৰ্থ্য কৰাৰ বাবে এই অধিনিয়মৰ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অসঙ্গত নোহোৱাকৈ বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতা সমূহৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়ম সমূহে নিম্ন লিখিত বিষয় সমূহৰ সকলো বা কোনোটোৰ উপবন্ধিত কৰিব পাৰে অৰ্থাৎ ঃ-

(ক) চৰ্ত্ত আৰু নিবন্ধন যাৰ সাপেক্ষে গ্ৰন্থাগাৰত পাণ্ডুলিপি আৰু কিতাপ সমূহ ব্যৱহাৰ কৰিব পাৰে ;

(খ) যি ৰীতিত আৰু উদ্দেশ্য যিবোৰৰ বাবে ব্যক্তি সমূহ বোৰ্ডৰ সৈতে সহযোগী হব পাৰে ;

(গ) বোৰ্ডৰ সভা সমূহৰ সময় আৰু স্থান, এনে সভা সমূহত ব্যৱসায়ৰ লেনদেনৰ সম্পৰ্কে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া আৰু সভা সমূহত ব্যৱসায়ৰ লেনদেনৰ আৱশ্যকীয় থু ল ;

(ঘ) বোৰ্ডৰ সভা সমূহৰ কাৰ্য্যবিৱৰণী সমূহৰ ৰক্ষণ আৰু কেন্দ্ৰীয় চৰকাৰলৈ ইয়াৰ প্ৰতিলিপি সমূহৰ প্ৰেৰণ;

(ঙ) বোৰ্ডৰ পদাধিকাৰী আৰু আন সদস্য সকলৰ সেৱাৰ নিযুক্তি আৰু চৰ্ত্তাৱলী ;

(চ) ব্যক্তি যাৰ দ্বাৰা আৰু ৰীতি যি ৰীতিত বোৰ্ডৰ হকে আদায় নিক্ষেপ আৰু বিনিয়োগ কৰিব পাৰি ;

(ছ) অধিকতম পৰিমাণ যিটো চলিত খাতাত ৰাখিব পাৰি ;

(জ) পঞ্জী আৰু হিচাব সমূহৰ ৰক্ষণ ;

(ঝ) গ্ৰন্থাগাৰত পাণ্ডুলিপি, কিতাপ, সামগ্ৰী আৰু বস্তু সমূহৰ তালিকা সংকলন আৰু সূচীসমূহ ;

(ঞ) গ্ৰন্থাগাৰত পাণ্ডুলিপি, কিতাপ, সামগ্ৰী আৰু বস্তু সমূহৰ সংৰক্ষণৰ বাবে গ্ৰহন কৰা ব্যৱস্থা ;

(ট) গ্ৰন্থাগাৰৰ সাধাৰণ পৰিচালনা ;

(ঠ) গ্ৰন্থাগাৰৰ পাণ্ডুলিপি আৰু কিতাপ সমূহৰ দ্বিতীয় ফটোৰ প্ৰতিলিপি কৰাৰ বাবে দিবলগীয়া সুবিধা সমূহৰ বাবে আৰোপিত কৰা মাচুল আৰু আন প্ৰভাৰ ;

(ড) গ্ৰন্থাগাৰত অধ্যয়ন আৱাসত কোঠালীৰ ব্যৱহাৰৰ বাবে ভাড়াৰ জৰিয়তে আৰোপিত কৰা প্ৰভাৰ সমূহ ।

(ঢ) আন কোনো বিষয় যিবোৰ উপবন্ধৰ সম্বন্ধত, বোৰ্ডৰ মতত, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য সমূহৰ পালনৰ বাবে আৱশ্যক হয় ।

(৩) কেন্দ্ৰীয় চৰকাৰে, বোৰ্ডৰ সৈতে পৰামৰ্শ কৰি চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, অনুমোদিত হোৱা কোনো বিনিয়ম, সংশোধন, পৰিবৰ্তন বা বিখণ্ডন কৰিব পাৰে আৰু ইয়াৰ ওপৰত বিনিয়ম তদনুসাৰে প্ৰভাৱী হব কিন্তু উপধাৰা (১) আৰু (২)ৰ অধীনত বোৰ্ডৰ ক্ষমতা সমূহৰ প্ৰয়োগ কৰিবলৈ প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ প্ৰভাৱী হব ।

---

সচিব,
ভাৰত চৰকাৰ
Secretary to the Government of India

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১

৫-১১-২০০৯